# স্পষ্টীকৰণ

"আমাৰ অসম" কাকতৰ আজিৰ সংখ্যা (৩ ফেব্ৰুৱাৰী, ২০১৬)ত প্ৰকাশিত "কদৰ্মময় পৰিবেশত ৰাখিছে ৯০০ কনিষ্টবল আৰু হাবিলদাৰক" শীৰ্ষক বাতৰিটো অসম আৰক্ষীৰ দৃষ্টিগোচৰ হৈছে।

বাতৰিটোৰ সম্পৰ্কত স্পষ্ট কৰি দিয়া হৈছে যে গুৱাহাটীত অনুষ্ঠিত হ'ব লগা দক্ষিণ এছিয় ক্ৰীড়াৰ বিভিন্ন দিশ চোৱা-চিতাৰ বাবে বহু সংখ্যক আৰক্ষী মোতায়েন কৰা হৈছে। তেওঁলোকক বিভিন্ন ঠাইত অস্থায়ীভাৱে থকাৰ ব্যৱস্থা কৰা হৈছে। ইমান সংখ্যক আৰক্ষী জোৱানক থকা-খোৱাৰ ব্যৱস্থাৱলী গ্ৰহণ কৰাৰ ক্ষেত্ৰত প্ৰথমাৱস্থাত কেতিয়াবা কিছু আসোঁৱাহ ৰৈ যোৱাটো নিতান্তই স্বাভাৱিক। অৱশ্যে পৰৱৰ্তী সময়ত সেইসমূহ আতঁৰোৱাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা ইতিমধ্যেই গ্ৰহণ কৰা হৈছে। তদুপৰি, সময়মতে সকলো কাম সম্পন্ন কৰাৰ ক্ষেত্ৰত কিছু কাৰিকৰী অসুবিধাও নথকা নহয়। বাতৰিটোত উল্লেখ কৰা লালমাটিৰ অস্থায়ী শিবিৰটোত ইতিমধ্যেই পৰ্যাপ্ত খোৱাপানী তথা অস্থায়ী পায়খানাৰ ব্যৱস্থা কৰাৰ উপৰিও প্ৰতিজনৰ বাবে বিচনাৰো যোগান ধৰা হৈছে। তথাপিও, অতি স্বাভাৱিকভাৱে ৰৈ যাব পৰা অন্যান্য অভাৱ-অভিযোগসমূহ দূৰ কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ক্ষিপ্ৰতাৰে গ্ৰহণ কৰা হ'ব। আগন্তুক এই ক্ৰীড়া অতি নিয়াৰীকৈ সম্পন্ন কৰাৰ বাবে অসম আৰক্ষীয়ে সকলোৰে সহযোগিতা কামনা কৰিছে।

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী